# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-02-2025
**Time:** 0900 Hrs

# *Assamese Morning Bulletin*
## *HEADLINES*
**- - - - - - - - - - - - - - -**

১। অহা ২-৩ মাহলৈ ৰাজ্যলৈ নতুন নতুন বিনিয়োগৰ প্ৰস্তাৱ আহিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। দেশৰ সামুদ্ৰিক আন্তঃগাঁথনি আধুনিকীকৰণৰ লক্ষ্যৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কেইবাখনো আঁচনিৰ শুভাৰম্ভ।

৩। ৰাজ্যৰ বিদ্যালয়ত নৱম শ্ৰেণীৰ পৰাই কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণা।

৪। দেশৰ বিভিন্ন অংশৰ লগতে অসমতো ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন।

*আৰু*

৫। ৰাজ্য চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি তথা জলবায়ু পৰিৱৰ্তন বিভাগৰ ২০২৪ আৰু ২০২৫ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটাসমূহ ঘোষণা।

ooooo

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সামৰণিৰ অন্তত অহা ২-৩ মাহলৈ ৰাজ্যলৈ নতুন নতুন বিনিয়োগৰ প্ৰস্তাৱ আহিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেল পথাৰত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সৈতে সংগতি ৰাখি আয়োজিত প্ৰদৰ্শনীৰ বীথিকাসমূহ পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এইদৰে প্ৰকাশ কৰে। প্ৰদৰ্শনীখনৰ 'অসম-অতীত, বৰ্তমান আৰু ভৱিষ্যত' শীৰ্ষক পেভেলিয়নত অংশগ্ৰহণ কৰা বীথিকা সমূহ পৰিদৰ্শন কৰি তেওঁ কয়, যে ৰাজ্যখনত ষ্টাৰ্টআপ খণ্ডত শেহতীয়াকৈ বহু উল্লেখনীয় কাম সম্পন্ন হৈছে। এই সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত তেওঁ এইদৰে কয়।

-বাইট-

উল্লেখযোগ্য যে এই প্ৰদৰ্শনী কাইলৈ সন্ধিয়া ৬ বজালৈকে দৰ্শকৰ বাবে মুকলি থাকিব।

ooooo

বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সময়ত স্বাক্ষৰিত বুজাবুজিৰ চুক্তিসমূহৰ ৰূপায়ণৰ বিষয়টো সংশ্লিষ্ট বিভাগসমূহে সুক্ষ্মভাৱে নিৰীক্ষণ কৰিব। উদ্যোগ আৰু বাণিজ্য বিভাগে এই চুক্তিসমূহৰ ৰূপায়ণৰ নিৰীক্ষণৰ বাবে শীঘ্ৰেই এটা পোৰ্টেল মুকলি কৰিব। ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই কালি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। এডভাণ্টেজ শীৰ্ষ সন্মিলনত ২৮৯খন বিত্তীয় বুজাবুজিৰ চুক্তি আৰু ৪০খন অনা-বিত্তীয় বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱা বুলি

উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই চুক্তিসমূহ সময়মতে ৰূপায়িত হ'লে অনাগত সময়ত ৰাজ্যৰ প্ৰেক্ষাপটেই সলনি হ'ব। চুক্তিসমূহৰ ৰূপায়ণৰ উদ্দেশ্যে উদ্যোগ আৰু বাণিজ্য বিভাগৰ বিশেষ বিনিয়োগ কোষ গঠন কৰা হৈছে আৰু এই কোষে প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ দৰে নিকায় আৰু আন বিভাগসমূহৰ সৈতে সমন্বয় ৰক্ষা কৰিব বুলি শ্ৰীবৰাই উল্লেখ কৰে। তেওঁ কয় যে ১০০ কোটি টকাতকৈ অধিক ধন বিনিয়োগ কৰা আৰু কমেও ২০০জন লোকক কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান কৰা বিনিয়োগকাৰীসকলে ৰাজ্য চৰকাৰৰ বিশেষ ঔদ্যোগিক নীতিৰ উপকাৰ লাভ কৰিব।

০০০০০

০০০০০

উদ্যোগীকৰণ আৰু ঔদ্যোগিক বিকাশৰ লক্ষ্যৰে শোণিতপুৰৰ জিলা আয়ুক্তৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠানৰ কালি সামৰণি পৰে। এই অনুষ্ঠানত মুঠ ৭৩ টা উদ্যোগৰ বিনিয়োগকাৰীৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই বিনিয়োগৰ ফলত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে এহেজাৰ নিবনুৱা যুৱক-যুৱতীৰ সংস্থাপনৰ পথ মুকলি হ'ব বুলি আশা কৰা হৈছে। এই বিনিয়োগকাৰীসকলক জিলাৰ বিভিন্ন অঞ্চলত মাটি আবণ্টন দিবলৈ ভূমি বেংক স্থাপন কৰা হৈছে। বুজাবুজিৰ চুক্তি স্বাক্ষৰ অনুষ্ঠানত জিলা প্ৰশাসনে অনুকুল ব্যৱসায়িক পৰিৱেশ গঢ়ি তোলা আৰু অঞ্চলটোত ঔদ্যোগিকৰণক প্ৰসাৰিত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশৰ সামুদ্ৰিক আন্তঃগাঁথনি আধুনিকীকৰণৰ লক্ষ্যৰে কেইবাখনো গুৰুত্বপূৰ্ণ আঁচনিৰ শুভাৰম্ভ কৰিছে। মুম্বাইত সামুদ্ৰিক খণ্ডৰ বাবে কেন্দ্ৰীয় বাজেটত কৰা ঘোষণাসমূহক লৈ সংশ্লিষ্ট পক্ষসমূহৰ সৈতে হোৱা বৈঠকত কালি এই আঁচনিসমূহৰ শুভাৰম্ভ কৰা হয়। দেশৰ প্ৰধান বন্দৰসমূহত কাৰ্যকলাপক সু-শৃংখলিত কৰাৰ বাবে তেওঁ 'এখন ৰাষ্ট্ৰ, এটা বন্দৰ' প্ৰক্ৰিয়াৰ মুকলি কৰে। অনুষ্ঠানত তেওঁ ভাৰত গ্ল'বেল স্পৰ্টছ্ কনচৰ্টিয়ামো মুকলি কৰে। দেশৰ সামুদ্ৰিক বিকাশ উদযাপনৰ উদ্দেশ্যেৰে অহা ২৭ অক্টোবৰৰ পৰা ৩১ অক্টোবৰলৈ মুম্বাইত ভাৰত সামুদ্ৰিক সপ্তাহৰ আয়োজন কৰা হ'ব বুলি তেওঁ কয়। এই সামুদ্ৰিক সপ্তাহত সামুদ্ৰিক মন্থনৰ দ্বিতীয় সংস্কৰণৰ লগতে অন্যান্য অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই সন্মিলনত ১০০ খন দেশৰ প্ৰায় ১ লাখ প্ৰতিনিধিয়ে অংশ ল'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহত নৱম শ্ৰেণীৰ পৰাই কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰিছে। উত্তৰ লখিমপুৰত কালি এখন সংবাদমেল সম্বোধন কৰি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয়, যে টাটাৰ সৈতে লগ লাগি ৰাজ্য চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত নতুনত্বৰ সূচনা কৰিব বিচাৰিছে। ইয়াৰ অংশ স্বৰূপে নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীত নতুনকৈ ১১ টা ঐচ্ছিক বিষয় অন্তৰ্ভুক্ত কৰিবলৈ শিক্ষা বিভাগে প্ৰস্তুতি সম্পন্ন কৰিছে। কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক এডভান্সড মাৰ্কেটিং, ছেমি কণ্ডাক্টৰ, মেচিন লাৰ্নিং আদিক ঐচ্ছিক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব। ইয়াৰ বাবে অসম চৰকাৰে ৪০০ কোটি টকা খৰচ কৰিব। তেওঁ কয়, যে ৰাজ্যৰ কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানসমূহত উন্নত মানৰ শিক্ষা প্ৰদান কৰা হ'ব। ৪৩ খন আই টি আইৰ শিক্ষাৰ্থীয়ে লাভ কৰা প্ৰমাণপত্ৰখন দশম শ্ৰেণী উত্তীৰ্ণ সম পৰ্যায়ৰ হ'ব বুলি তেওঁ উল্লেখ কৰে। তেনে শিক্ষাৰ্থীয়ে সেই প্ৰমাণপত্ৰৰে একাদশ শ্ৰেণীত নামভৰ্তি

কৰিব পাৰিব। আনহাতে, পলিটেকনিকত উত্তীৰ্ণ শিক্ষাৰ্থীসকলক দ্বাদশ শ্ৰেণী উত্তীৰ্ণৰ মৰ্যাদা দিয়া হ'ব। তেওঁলোকে স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰিব। পলিটেক্‌নিকত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে আই আই টি আৰু অভিযান্ত্ৰিক শিক্ষা গ্ৰহণৰ সুযোগ পাব। অনাগত সময়ত ৰাজ্যৰ ১১ টা বিভাগত কাৰিকৰী শিক্ষা প্ৰদানৰ বিষয়েও চৰকাৰে চিন্তা কৰিছে বুলি তেওঁ কয়। উদ্যমিতাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ স্ব-নিয়োজন আঁচনিয়ে শিক্ষাৰ্থীসকলক উপকৃত কৰিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

জাপানী ভাষাৰ শিক্ষা আৰু সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ-পূব জাপান কাৰাভান মহোৎসৱ অনুষ্ঠিত হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকাই কালি এই মহোৎসৱৰ শুভাৰম্ভ কৰে। এই মহোৎসৱত জাপানৰ ভাষা-সাহিত্য, সংস্কৃতি, ঐতিহ্য আৰু পৰম্পৰা প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। জাপান ফাউণ্ডেচনৰ সহযোগত বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ অংশ হিচাপে ৰাজ্যখনত জাপানী ভাষাৰ শিক্ষাৰ প্ৰতি যুৱক-যুৱতীসকলক আগ্ৰহী কৰি তোলাৰ প্ৰয়াস কৰা হ'ব। মহোৎসৱত জাপানৰ ভাষা কলা-সংস্কৃতি আৰু ঐতিহ্যক প্ৰতিফলিত কৰি তিনিখন চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অহা শিক্ষাবৰ্ষৰ পৰা জাপানী ভাষাৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ পৰিকল্পনা লোৱা হৈছে। অসমৰ ৫০ হাজাৰ ল'ৰা-ছোৱালীক জাপানত কাম কৰাৰ বাবে উপযুক্ত কৰি তুলিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পৰিকল্পনা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত এই জাপানী শিক্ষাৰ পাঠ্যক্ৰমে সহায় কৰিব বুলি বিশ্ববিদ্যালয় সূত্ৰই প্ৰকাশ কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ভূটানৰ কৃষি আৰু পশুপালন মন্ত্ৰী ইউনটেক ফুণ্টশ্ব' আৰু বিশ্ব বেংকৰ ভাৰতৰ সঞ্চালক ড০ অগস্তে ভানো কৌয়ামেৰৰ সৈতে সুকীয়াকৈ বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ভূটানৰ কৃষি আৰু পশুপালন মন্ত্ৰী ফুণ্টশ্বে'ৰ সৈতে হোৱা বৈঠকত ভাৰত আৰু ভূটানৰ মাজত কৃষি, বাণিজ্য, পৰ্যটন, শিক্ষা আৰু শক্তি খণ্ডত সহযোগিতা শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰে। বিশ্ব বেংকৰ ভাৰতৰ সঞ্চালক অগস্তে ভানো কৌয়ামেৰ সৈতে হোৱা বৈঠকত ঔদ্যোগিক উদ্যানৰ আন্তঃগাঁথনি নিৰ্মাণ, কৃষি আৰু আনুষঙ্গিক খণ্ডসমূহক অগ্ৰাধিকাৰ প্ৰদান কৰা আই এফ চিৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত ৰাজহুৱা ব্যক্তিগত সহযোগিতা আৰ্হিক সমৰ্থন কৰা আদি বিষয়ে স্থান লাভ কৰে।

০০০০০

দেশৰ বিভিন্ন অংশৰ লগতে অসমতো আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হৈছে। বিশিষ্ট পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনৰ দ্বাৰা ৰমন প্ৰভাৱ বা ৰমন বিক্ষেপনৰ আৱিষ্কাৰৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। চি ভি ৰমনে এই আৱিষ্কাৰৰ বাবে ১৯৩০ চনত ন'বেল বঁটা লাভ কৰিছিল।

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে তিনিচুকীয়া জিলাৰ হাতীজান গাঁৱৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত আজি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অসম বিজ্ঞান সমিতি তিনিচুকীয়া শাখাৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত শাখাৰ সভাপতি বিশিষ্ট শিক্ষাবিদ ড০ ৰাজীৱ বৰদলৈয়ে নৱপ্ৰজন্মৰ মনত কেনেকৈ বৈজ্ঞানিক মানসিকতাৰ পৰিবেশ ৰচনা কৰিব পাৰি সেই বিষয়ে আলোচনা আগবঢ়াব। এই দিৱসৰ লগত সংগতি ৰাখি কালি বড়োলেণ্ড বিশ্ববিদ্যালয়ত এখন বিজ্ঞান প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। উপাচাৰ্য বাবুলাল আহুজাই

উদ্বোধন কৰা প্ৰদৰ্শনীখনত বিজ্ঞান আৰ্হি, প্ৰকল্প আৰু পোষ্টাৰ প্ৰদৰ্শন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে প্ৰদৰ্শন কৰা বিজ্ঞান জগতৰ নৱীনতম ধাৰণাসমূহে উপস্থিত ৰাইজ আৰু বৌদ্ধিক মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

ৰাজ্য চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি তথা জলবায়ু পৰিৱৰ্তন বিভাগে কালি ২০২৪ আৰু ২০২৫ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটাৰ বাবে বাছনিপ্ৰাপ্ত ব্যক্তি, প্ৰতিষ্ঠানসমূহৰ নাম ঘোষণা কৰে। আই আই টি গুৱাহাটীৰ প্ৰাক্তন সঞ্চালক প্ৰফেচাৰ এমেৰিটাছ ড০ গৌতম বৰুৱালৈ ২০২৪ চনৰ ৰাজ্যিক বিজ্ঞান বঁটা শিতানত বৈজ্ঞানিক গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত জীৱনজোৰা কৃতিত্বৰ বাবে বঁটা আগবঢ়োৱা হৈছে। আই আই টি গুৱাহাটীৰ ইলেকট্ৰনিকছ্ আৰু বৈদ্যুতিক অভিযান্ত্ৰিক বিভাগৰ সহকাৰী অধ্যাপক ড০ তন্ময় দত্তলৈ যুৱ বিজ্ঞানী বঁটা আগবঢ়োৱা হৈছে। গুৱাহাটীৰ ফাৰ্মাচিউটিকেল শিক্ষা আৰু গৱেষণাৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান নাইপাৰে অসমত বৈজ্ঞানিক গৱেষণাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বঁটা লাভ কৰিছে। একেদৰে ২০২৫ বৰ্ষৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ দিলীপ কুমাৰ চৌধুৰীলৈ বৈজ্ঞানিক গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত জীৱনজোৰা কৃতিত্বৰ বাবে বঁটা আগবঢ়োৱা হৈছে। জ্যোতিৰ্বিজ্ঞান আৰু জ্যোতি পদাৰ্থ বিজ্ঞানৰ বাবে আন্তঃবিশ্ববিদ্যালয় কেন্দ্ৰ পুণেৰ পোষ্ট ডক্তৰেল গৱেষক ড০ অংশুমান বৰগোঁহায়ে যুৱ বিজ্ঞানী বঁটা লাভ কৰিছে। লখিমপুৰৰ অসম বিজ্ঞান লেখক সংস্থাক বৈজ্ঞানিক গৱেষণাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বঁটাৰ বাছনি কৰা হৈছে। উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰে বিজ্ঞান প্ৰযুক্তিৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখনীয় অৱদানৰ বাবে এই বঁটা আগবঢ়াই আহিছে।

০০০০০

শিৱসাগৰ জিলাক ধ্যান আৰু যোগৰ কেন্দ্ৰৰূপে গঢ়ি তোলা উচিত বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মন্তব্য কৰিছে। শিৱসাগৰ দৌল উন্নয়ন পৰিষদৰ উদ্যোগত আয়োজিত শিৱৰাত্ৰি উৎসৱৰ সামৰণি অনুষ্ঠানত অংশ লৈ কালি তেওঁ এই বিষয়ে প্ৰকাশ কৰে। অহা বছৰৰ পৰা এই শিৱৰাত্ৰি উৎসৱক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত কৰাৰ বাবে পৰিকল্পনা কৰা হৈছে বুলিও তেওঁ কয়। এই অনুষ্ঠানতে তেওঁ মুক্তিনাথ নামৰ এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে। গ্ৰন্থ উন্মোচনী সভাত তেওঁ ধ্যান আৰু যোগ সকলো শ্ৰেণীৰ লোকৰ বাবে অনুকৰণীয় বুলি উল্লেখ কৰে।

-বাইট -

০০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ যোগেদি অহা বিনিয়োগৰ প্ৰস্তাৱসমূহে ৰাজ্যখনলৈ স্বাভাৱিকতে এক আশাৰ বতৰা কঢ়িয়াই আনিছে। ইয়াৰ লগে লগে প্ৰশ্নও উত্থাপন হৈছে যে বিনিয়োগকাৰী সকললৈ কেনে ধৰণৰ সা-সুবিধা আগবঢ়োৱা হ'ব? এই বাতৰিটো **দৈনিক অসম** কাকতে **বিনিয়োগকাৰীক বিধে বিধে সুবিধা** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ভুটানৰ কৃষি আৰু পশুপালন মন্ত্ৰী ইউনটেন ফুণ্টেশ্ব আৰু বিশ্ব বেংকৰ ভাৰতৰ সঞ্চালকক সাক্ষাৎ কৰি পৃথকে পৃথকে বৈঠকত মিলিত হোৱাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন, দ্য ছেণ্টিনেল, দৈনিক অসম**কে ধৰি প্ৰায়বোৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যৰ ৪৩খন আই টি আইৰ শিক্ষাৰ্থীয়ে লাভ কৰা প্ৰমাণ-পত্ৰ দশম শ্ৰেণীত উত্তীৰ্ণ সমপৰ্যায়ৰ হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰা বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে **এতিয়াৰে পৰা আই টি আইৰ প্ৰমাণ-পত্ৰ হ'ব মেট্ৰিকৰ সমকক্ষ** শিৰোনামেৰে প্ৰথম প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

একেটা বাতৰিকে **অসমীয়া প্ৰতিদিন** কাকতে **দশম শ্ৰেণীৰ সমপৰ্যায়ৰ হ'ব আই টি আই উত্তীৰ্ণ প্ৰমাণ-পত্ৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে স্থান দিছে।

এই বাতৰিটোকে **নৱম শ্ৰেণীৰ পৰাই হ'ব এ আই ৰবটিক্স পাঠ্যক্ৰম** শিৰোনামেৰে **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে।

**পানীৰ পাইপ ফুটি পুনৰ মহানগৰীৰ পাণ্ডুত হাহাকাৰ পৰিৱেশৰ সৃষ্টি** -এই বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

একেখন কাকতে চলি থকা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰশ্নকাকত সন্দৰ্ভত এটা বাতৰি **মেট্ৰিকত ৬৩ পৃষ্ঠাৰ সমাজ বিজ্ঞানৰ প্ৰশ্নকাকতৰ ডাম্বুক গাঁৱৰ প্ৰশ্নক লৈ বিতৰ্ক** শিৰোনামেৰে প্ৰকাশ কৰিছে।

ভূমিকম্পৰ ধাৰাবাহিক জোকাৰণিয়ে শংকিত কৰি তুলিছে ৰাজ্যক। চলিত বৰ্ষৰ প্ৰথম দুমাহ পাৰ নৌহওঁতেই এটাৰ পাছত আনটো ভূকম্পন। এই বাতৰিটো **ৰাজ্যত ৫৫ দিনত ১১টাকৈ ভূমিকম্প** শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ooooo

আফগানিস্তান আজি লাহৰোৰ গাড্ডাফি ষ্টেডিয়ামত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, পাকিস্তান আৰু বাংলাদেশৰ মাজৰ কালিৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। সুদীৰ্ঘ ২৯ বছৰত প্ৰথমবাৰৰ বাবে আই চি চি টুৰ্ণামেণ্টৰ আয়োজন কৰা পাকিস্তানে এখনো খেলত জয় লাভ নকৰাকৈ এই প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'বলগীয়া হয়। একেদৰে বাংলাদেশেও এখনো খেলত জয় লাভ নকৰাকৈ নিজৰ যাত্ৰাৰ সামৰে। দুয়োটা দলকে ১ পইণ্টকৈ ভগাই দিয়া হয়। যোৱা মঙলবাৰে দক্ষিণ আফ্ৰিকা আৰু অষ্ট্ৰেলিয়াৰ মাজৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হৈছিল। খেলখন দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

ooooo

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত দিনৰ ভাগত বতাহ বলি থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

তদুপৰি অহা ২৪ ঘণ্টাত অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডত বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে।

ooooo

সমাপ্ত